# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 22-02-2025
**Time :** 0900 hrs

ASSAMESE MORNING BULLETIN

**::::::::::::::::::**

## HEADLINES

১। ঝুমইৰ বিনন্দিনীৰ বাবে সৰুসজাইত ৯ হাজাৰৰো অধিক শিল্পীৰ চূড়ান্ত অনুশীলন।

২। কংগ্ৰেছ সাংসদ ৰকিবুল হুছেইনক দুৰ্বৃত্তই আক্ৰমণ কৰাৰ ঘটনাক লৈ ৰাজ্যজুৰি প্ৰতিবাদ।

৩। মিছন বসুন্ধৰাৰ দ্বিতীয় পৰ্যায়ত প্ৰায় ২ লাখ ২৯ হাজাৰ পৰিয়াললৈ ভূমিপট্টা প্ৰদানৰ বিষয়ে সদনত ৰাজহ মন্ত্ৰীৰ প্ৰকাশ।

৪। এতিয়াৰে পৰা বন্ধ বা একত্ৰীকৰণৰ ফলত অলাগতিয়াল হৈ পৰা বিদ্যালয়ৰ ভূমিৰ কৰ্তৃত্ব ৰাজ্য চৰকাৰৰ।

*আৰু*

৫। আই চি চি চেম্পিয়নছ ট্ৰফীত কালি আফগানিস্তানৰ বিৰুদ্ধে দক্ষিণ আফ্ৰিকাৰ ১০৭ ৰাণত জয়লাভ।

ooooo

দেশী-বিদেশী বিনিয়োগকাৰীৰ অংশগ্ৰহণেৰে অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বাবে ৰাজ্য চৰকাৰে পূৰ্ণোদ্যমে প্ৰস্তুতি চলাইছে। এই শীৰ্ষ সন্মিলনৰ  পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী শৰ্মাই ৰাজ্যৰ পৰ্যটন, কৃষি, ছেমি কণ্ডাক্টৰ, নৱীকৰণযোগ্য শক্তিকে ধৰি বিভিন্ন ক্ষেত্ৰত বিনিয়োগৰ সুযোগৰ বিষয়ে সামাজিক মাধ্যমযোগে প্ৰচাৰ কৰি আহিছে।

সাংসদ দিলীপ শইকীয়াই এই সন্মিলনৰ সফল ৰূপায়ণৰ সন্দৰ্ভত কালি বিজেপিৰ অসম প্ৰদেশৰ ৰাজ্যিক কাৰ্যালয়ত দলৰ মুখপাত্ৰ আৰু বিভিন্ন বিভাগৰ আহ্বায়ক, সহ-আহ্বায়কসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলি হয়। বৈঠকত সন্মিলনৰ সাংগঠনিক বিষয়সমূহতো আলোচনা কৰা হয়।

ইপিনে অসমৰ চাহৰ ২০০ বছৰীয়া চহকী ঐতিহ্য উদযাপনৰ উদ্দেশ্যে পৰহিলৈ হ'বলগীয়া **ঝুমইৰ বিনন্দিনী** অনুষ্ঠানৰ বাবে সৰুসজাইত কালিৰে পৰা কেন্দ্ৰীয়ভাৱে আখৰা অনুষ্ঠিত হৈছে। ৰাজ্যৰ বিভিন্ন জিলাৰ ৯ হাজাৰৰো অধিক চাহ জনগোষ্ঠীৰ শিল্পীয়ে এই অনুষ্ঠানত ভাগ লৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই অনুষ্ঠান উপভোগ কৰিব। প্ৰধানমন্ত্ৰীক আদৰাৰ বাবে ৰাজ্য চৰকাৰে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি লোকপ্ৰীয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানবন্দৰত প্ৰধানমন্ত্ৰীক আদৰাৰ প্ৰস্তুতিৰ বুজ লয় আৰু যাৱতীয় নিৰ্দেশনা দিয়ে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

মন্ত্ৰী বিমল বৰা, যোগেন মহনকে ধৰি কেইবাগৰাকী মন্ত্ৰীয়ে কালি সৰুসজাইত ঝুমুৰৰ অন্তিম আখৰা পৰিদৰ্শন কৰি সকলোকে শুভেচ্ছা জনায়। শ্ৰমিক কল্যাণ বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালাই এই অনুষ্ঠান সন্দৰ্ভত সাংবাদিকৰ আগত এনেদৰে কয়।

*(বাইট ঃ ৰূপেশ গোৱালা)*

ooooo

কংগ্ৰেছ সাংসদ ৰকিবুল হুছেইনক দুৰ্বৃত্তই আক্ৰমণ কৰাৰ ঘটনাক লৈ ৰাজ্যজুৰি কংগ্ৰেছ কৰ্মীসকলে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিছে। বিভিন্ন স্থানত থকা দলীয় কাৰ্যালয়ত দলীয় নেতা-কৰ্মীয়ে অৱস্থান ধৰ্মঘট কাৰ্যসূচী গ্ৰহণ কৰাৰ উপৰি প্ৰতিবাদী সমদলো উলিয়াই। গুৱাহাটীৰ ৰাজীৱ ভৱনত মহানগৰ জিলা কংগ্ৰেছৰ উদ্যোগত অনুষ্ঠিত প্ৰতিবাদী সভাত দলৰ প্ৰাক্তন সভাপতি ৰিপুন বৰা, জ্যেষ্ঠনেতা বলীন কুলী, নিপেন ঠাকুৰীয়া, ববিতা শৰ্মা, গোপাল শৰ্মা আদিয়ে অংশগ্ৰহণ কৰে।

সাংসদগৰাকী আক্ৰমণৰ ঘটনাক গৰিহণা দি প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই শিলচৰত এটা প্ৰতিবাদী সমদলত অংশ লয়। এই প্ৰতিবাদী কাৰ্যসূচীৰ পিছতে ঘটনা সন্দৰ্ভত উচিত তদন্তৰ দাবীত ৰাজ্যপাললৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰা হয়। ইপিনে, এই আক্ৰমণৰ ঘটনাক লৈ সাংসদগৰাকীয়ে কালি নগাঁও সদৰ আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। এজাহাৰত তেওঁ ২২ জন লোকক এই আক্ৰমণৰ ঘটনাত জড়িত থকাৰ অভিযোগ কৰে। এজাহাৰ দাখিলৰ সময়ত কংগ্ৰেছ নেত্ৰী মীৰা বৰঠাকুৰো তেওঁৰ লগত উপস্থিত থাকে। ইয়াৰ পাছতে নগাঁও জিলা কংগ্ৰেছৰ উদ্যোগত দুষ্কৃতিকাৰীক গ্ৰেপ্তাৰৰ দাবীত জিলা আৰক্ষী অধীক্ষকৰ কাৰ্যালয় ঘেৰাও কৰে। যোৰহাট জিলা কংগ্ৰেছে কালি এখন সংবাদমেলত এই ঘটনাৰ ন্যায় বিচাৰি ৰাজ্য চৰকাৰক তাৎক্ষণিক ব্যৱস্থা গ্ৰহণৰ বাবে আহ্বান জনায়। উল্লেখযোগ্য যে, ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনৰ আক্ৰমণৰ ঘটনাক লৈ সৃষ্টি হোৱা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত কালি অসম বিধানসভাৰ কাৰ্যক্ৰমণিকা দুবাৰকৈ স্থগিত ৰাখিবলগীয়া হয়।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই ঘটনাত জড়িত থকা ১০ জন আক্ৰমণকাৰীক আৰক্ষীয়ে চিনাক্ত কৰিছে বুলি সামাজিক মাধ্যম যোগে প্ৰকাশ কৰে।

ooooo

মিছন বসুন্ধৰাৰ দ্বিতীয় পৰ্যায়ত প্ৰায় ২ লাখ ২৯ হাজাৰ পৰিয়াললৈ ভূমিপট্টা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। বিধানসভাৰ চলিত বাজেট অধিৱেশনত কালি ৰাজহ মন্ত্ৰী কেশৱ মহন্তই এই কথা জানিবলৈ দিয়ে। সদনত ৰাজহ বিভাগৰ পৰিপূৰক দাবী মঞ্জুৰী কৰ্তন প্ৰস্তাৱৰ উত্তৰ দি মন্ত্ৰীগৰাকীয়ে কয়, যে মিছন বসুন্ধৰাৰ প্ৰথম পৰ্যায়ত ৫ লাখ ৮২ হাজাৰ পৰিয়ালক আৰু দ্বিতীয় পৰ্যায়ত ২ লাখ ২৯ হাজাৰ ৬৫৭টা পৰিয়ালক ভূমিপট্টা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। ৰাজ্যখনত থকা এহেজাৰ ৭৪ খন জৰীপ নকৰাকৈ থকা ৰাজহ গাঁৱৰ ভিতৰত ৯১১ খন গাঁৱৰ ইতিমধ্যে জৰীপৰ কাম আৰম্ভ হৈছে আৰু ইয়াকে লৈ ছহেজাৰ ৭৮১ খন গাঁৱৰ জৰীপ সম্পূৰ্ণ হৈছে। মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে যে ৰাজ্যখনৰ বিভিন্ন ধৰণে ক্ষতিগ্ৰস্ত ৬ লাখ ৮৬ হাজাৰ পৰিয়ালক ৩৫৩ কোটি টকা আদায় দিয়া হৈছে।

ooooo

বন্ধ বা একত্ৰিকৰণৰ ফলত অলাগতিয়াল হৈ পৰা বিদ্যালয়ৰ ভূমিৰ ক্ষেত্ৰত এতিয়াৰে পৰা ৰাজ্য চৰকাৰৰ কৰ্তৃত্ব থাকিব। ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই কালি বিধানসভাত  এই কথা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে বিভাগটোৰ পৰিপূৰক দাবী মঞ্জুৰীৰ বিষয়ত হোৱা আলোচনাত এটা প্ৰশ্নৰ উত্তৰ দি কয়, যে এতিয়াৰে পৰা বিদ্যালয় প্ৰতিষ্ঠাৰ সময়ত দান দিয়া মাটিৰ গৰাকীয়ে দাবী কৰিলেও সেই মাটি ওভতাই দিয়া নহ'ব। উল্লেখযোগ্য যে কালি বিধানসভাত বিধায়ক নন্দিতা দাসে বন্ধ হোৱা বহু বিদ্যালয়ৰ মাটি ওভতাই বিচাৰি গৰাকীসকলে ৰাজহচক্ৰৰ কাৰ্যালয়ত গোচৰ তৰা বুলি অভিযোগ কৰিছিল।

শ্ৰী মহন্তই লগতে ৰাজ্য চৰকাৰে সমষ্টি পৰ্যায়ত গঠন কৰা প্ৰতিখন সমজিলাতে একোটা ৰাজহচক্ৰৰ কাৰ্যালয় আৰু একোটা উন্নয়ন খণ্ডৰ কাৰ্যালয় স্থাপনৰ সিদ্ধান্ত লোৱাৰ কথা জানিবলৈ দিয়ে। তেওঁ কয়, যে ইয়াৰ বাবে জিলা আয়ুক্তসকলক সমগ্ৰ ব্যৱস্থাটো পুনৰ গঠনৰ নিৰ্দেশ দিয়া হৈছে। মৌজাদাৰসকলৰ কাৰ্যালয়সমূহতো ই-খাজানাৰ ব্যৱস্থা প্ৰৱৰ্তনৰ বাবে প্ৰতিজন মৌজাদাৰক কম্পিউটাৰকে ধৰি আনুসংগিত সামগ্ৰী ক্ৰয়ৰ বাবে এক লাখ টকাৰৈ দিয়া হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ৰাজ্যখনত খালী হৈ থকা গাঁওবুঢ়া পদ সন্দৰ্ভত আন এটা প্ৰশ্নৰ উত্তৰ দি শ্ৰী মহন্তই কয়, যে বৰ্তমান ৭ হাজাৰ ৪৯৯ টা গাঁওবুঢ়া পদ আছে আৰু ইয়াৰে মাত্ৰ ৫ হাজাৰ পদতহে গাঁওবুঢ়া নিয়োজিত হৈ আছে। খালী থকা পদসমূহ শীঘ্ৰেই পূৰণ কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাতত **টেলিভিছনৰ ধাৰাবাহিকৰ অভিনেতা-অভিনেত্ৰী আৰু কলা-কুশলীৰ মনৰ বতৰা ল'ব**।

*(বাইট)*

অনুষ্ঠানটো একে সময়তে আকাশবাণী গুৱাহাটীৰ মহাবাহু শাখা আৰু বাতৰি বিভাগৰ **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

এপ্ৰিল মাহৰ পৰা টোল মাচুল পুনৰ বৃদ্ধি পাব। কেন্দ্ৰীয় পথ, পৰিবহন আৰু ৰাষ্ট্ৰীয় ঘাইপথ মন্ত্ৰনালয়ে ইতিমধ্যে প্ৰয়োজনীয় টোকা প্ৰস্তুত কৰি উলিয়াইছে। সেই অনুসৰি ৫ৰ পৰা ১৫ শতাংশ পৰ্যন্ত টোল মাচুল বৃদ্ধিৰ প্ৰস্তাৱ দিয়া হৈছে। উল্লেখযোগ্য যে, যোৱা বছৰ ৩ জুনৰ পৰা টোল মাচুল বৃদ্ধি কৰা হৈছিল। ইফালে ৰাজ্যখনত স্থাপন কৰিবলগীয়া প্ৰস্তাৱিত টোলগে'টবোৰ মুকলি কৰাৰ বাবেও কেন্দ্ৰীয় চৰকাৰ যো-জা চলাইছে। কলিয়াবৰ আৰু তেজপুৰৰ মাজত চুলুঙত, দেৰগাঁৱৰ সমীপৰ ৰঙামাটিত আৰু বিশ্বনাথ চাৰিআলিৰ ওচৰৰ মোনাবাৰীত টোলগে'ট মুকলি কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰা তথ্য মতে যোৱা ৫ বছৰত ৰাজ্যৰ ৯ খন টোলগে'টৰ পৰা এহেজাৰ ৪৫৮ কোটি টকা মাচুল সংগ্ৰহ কৰা হৈছে। শেহতীয়াকৈ যোৱা ডিচেম্বৰ মাহত গোসাঁইগাঁৱৰ তেলীপাৰাটো এখন টোলগে'ট স্থাপন কৰা হৈছিল।

০০০০০

ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য্যই ৰাজ্যখনক উচ্চ শিক্ষাৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত শিক্ষা বিভাগৰ আন্তঃগাঁথনি শক্তিশালী কৰাৰ বিষয়ত গুৰুত্ব আৰোপ কৰিছে। ৰাজভৱনত অনুষ্ঠিত এখন বৈঠকত কালি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ সৈতে হোৱা আলোচনাত ৰাজ্যপালগৰাকীয়ে এই কথা প্ৰকাশ কৰি কয়, যে সমাজখনক উৎকৰ্ষতাৰ দিশত আগুৱাই নিয়াৰ ক্ষেত্ৰত শিক্ষাৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। শ্ৰীআচাৰ্য্যই উচ্চ শিক্ষা বিভাগৰ কাৰ্যকলাপ আৰু ভৱিষ্যতৰ কাৰ্যপন্থাক লৈ সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ কয়, যে ৰাজ্যখনৰ উন্নয়নৰ গতি ত্বৰান্বিত কৰাত উচ্চ শিক্ষাৰ উন্নয়নে মানৱ সম্পদ সৃষ্টিত অনুঘটকৰ কাম কৰিব। ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ক ভাৰত চৰকাৰৰ এটা যুগান্তকাৰী পদক্ষেপ বুলি উল্লেখ কৰি ৰাজ্যপালগৰাকীয়ে কয়, যে এই শিক্ষানীতিয়ে দেশৰ শৈক্ষিক পৰিবেশত বৈপ্লৱিক পৰিৱৰ্তন আনিব। তেওঁ ৰাজ্যৰ উচ্চ শিক্ষা বিভাগক এই নীতি আখৰে আখৰে কাৰ্যকৰী কৰিবলৈ আহ্বান জনায়। বৈঠকত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে শ্ৰী আচাৰ্য্যক ৰাজ্যৰ উচ্চ শিক্ষা বিভাগৰ বৰ্তমানৰ প্ৰকল্প, নীতি আৰু ভৱিষ্যতৰ কাৰ্যপন্থা সন্দৰ্ভত অৱগত কৰে। কালিৰ বৈঠকত ৰাজভৱনৰ উপদেষ্টা ডং হৰবংশ দীক্ষিত, উচ্চ শিক্ষা বিভাগৰ উপদেষ্টা অধ্যাপক দেৱব্ৰত দাস, আয়ুক্ত আৰু ৰাজ্যপালৰ সচিব এছ্. এছ্. মিনাক্ষী সুন্দৰম, উচ্চ শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰৰ উপৰি শিক্ষা বিভাগৰ কেইবাগৰাকী জ্যেষ্ঠ বিষয়া উপস্থিত থাকে।

ooooo

ডিব্ৰুগড় চহৰত অহা ২৫ ফেব্ৰুৱাৰীত সাময়িকভাৱে ৰন্ধন গেছৰ যোগান ব্যাহত হ'ব বুলি আছাম গেছ কোম্পানী লিমিটেডে জানিবলৈ দিছে। দ্বিতীয় পৰ্যায়ৰ মেৰামতিৰ বাবে সিদিনা পুৱা ৯ বজাৰ পৰা নিশা ৯ বজালৈ ৰন্ধন গেছৰ যোগান বন্ধ থাকিব। সেয়েহে কৰ্তৃপক্ষই সংশ্লিষ্ট জনসাধাৰণক প্ৰয়োজনীয় ৰন্ধন গেছ মজুত ৰাখিবলৈ আহ্বান জনাই এই ক্ষেত্ৰত সহযোগিতা কামনা কৰিছে।

ooooo

সদৌ লখিমপুৰ জিলা বহুভাষিক কবি সন্মিলনৰ যুটীয়া উদ্যোগত জিলাখনৰ উত্তৰ লখিমপুৰ টাউন মডেল স্কুলত কাইলৈ বহুভাষিক কবি সন্মিলনৰ আয়োজন কৰা হৈছে। এই উপলক্ষে প্ৰীতি সন্মিলন, অন্তৰংগ আলাপ, গ্ৰন্থ উন্মোচন, কথা কবিতা আদি কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ৰাজ্যৰ প্ৰায়কেইখন জিলাৰ কবি, গীতিকাৰ, সাহিত্যিক, নাট্যকাৰৰ উপৰি চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশ, মেঘালয় আৰু মিজোৰামৰ কেইবাগৰাকী প্ৰথিতযশা কবি-সাহিত্যিকে এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

ooooo

## NEWSPAPER REVIEW

সৰুসজাইত কালিৰ পৰা ঝুমুৰ বিনন্দিনীৰ মূল আখৰা আৰম্ভ, সাংসদ ৰকিবুল হুচেইনক আক্ৰমণ কৰাক কেন্দ্ৰ কৰি উত্তাল বিধানসভা, মিচন বসুন্ধৰা ২.০ ত ২ দশমিক ২-৯ পৰিয়াললৈ ভূমি পট্টাৰ ব্যৱস্থা, ৫০ খন দেশৰ ৰাষ্টদূতৰ কাজিৰঙা ৰাষ্টীয় উদ্যানত জীপ ছাফাৰীকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

বিশ্বৰ এশ অগ্ৰণী মহিলা বিজ্ঞানীৰ তালিকাত অসমৰ বিস্মিতা হাজৰিকাৰ নাম অন্তৰ্ভুক্ত হোৱাৰ বাতৰিক অসমীয়া প্ৰতিদিন কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

সাংসদ ৰকিবুল হুছেইনক আক্ৰমণ কৰা ঘটনাক কেন্দ্ৰ কৰি কালি সদন দুবাৰকৈ স্থগিত ৰখাৰ বাতৰিটো দ্যা টাইমছ্ অব ইণ্ডিয়া কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। একেটা বাতৰিৰে দৈনিক অসম কাকতৰ শিৰোনাম- গণতন্ত্ৰ ৰক্ষাৰ দাবীত উত্তাল সদন। সাংসদগৰাকীৰ আক্ৰমণক কেন্দ্ৰ কৰি বিধানসভাৰ বাহিৰে ভিতৰে কালি কংগ্ৰেছ বিধায়কসকলে প্ৰতিবাদ সাব্যস্ত কৰাৰ বাতৰিতো দ্যা ছেণ্টিনেল কাকতে আলোকচিত্ৰসহ প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

গো মাংস সৰবৰাহৰ এটা গোচৰৰ শুনানিত উচ্চতম ন্যায়ালয়ে ৰাজ্য চৰকাৰক উদ্দেশ্যি কয়, যে এনেধৰণৰ কামত লাগি থকাৰ সলনি চৰকাৰখনৰ কৰিবলগীয়া আৰু বহুত ভাল কাম আছে। দি আছাম ট্ৰিবিউন কাকতে এই বাতৰিটোক প্ৰথম পৃষ্ঠাত স্থান দিছে।

অসমীয়া খবৰ কাকতে ধুবুৰী জিলাৰ এখন বিদ্যালয়ৰ পৰীক্ষা কেন্দ্ৰৰ পৰা মেট্ৰিকৰ প্ৰশ্নকাকত ফাদিল হোৱা ঘটনাটোক ভূৱা আৰু অসত্য বুলি শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে সদৰী কৰাৰ বাতৰিটোক প্ৰথম পৃষ্ঠাত বিশেষ গুৰুত্ব দিছে।

নিয়মীয়া বাৰ্তা কাকতে মহাকুম্ভমেলাত এহেজাৰ ৫০০ কোটি টকা ব্যয় কৰি এই পৰ্যন্ত তিনি লাখ কোটি টকা উপাৰ্জন কৰাৰ বাতৰিক শীৰ্ষ স্থান দিছে।

শ্বেয়াৰ বজাৰত ২০ দিনত বিনিয়োগকাৰীৰ ৪১ দশমিক ২-৯ লাখ লাখ কোটি টকা লোকচান হোৱাৰ বাতৰিটো দৈনিক জনমভূমি কাকতে প্ৰকাশ কৰিছে।

দৈনিক অগ্ৰদূত কাকতে মণিপুৰত স্বেচ্ছাসেৱক গ্ৰেপ্তাৰৰ পাছতে পুনৰ প্ৰতিবাদ হোৱাৰ বাতৰিটোক প্ৰথম পৃষ্ঠাত শীৰ্ষ স্থান দিছে।

আমাৰ অসম কাকতে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত পঞ্চতাৰকা হোটেল নিৰ্মাণত ৰাষ্ট্ৰীয় সেউজ প্ৰাধিকৰণে সেউজ সংকেত দিয়াৰ বাতৰিক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এতিয়া আহক পুনৰ বাতৰিৰ মাজলৈ ওভতি যাও।

০০০০০

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ কৰাচীত অনুষ্ঠিত গ্ৰুপ-বিৰ দিবা-নৈশ এখন খেলত কালি আফগানিস্তানৰ বিৰুদ্ধে দক্ষিণ আফ্ৰিকাই ১০৭ ৰাণত জয়লাভ কৰে। আফগানিস্তানে ৩১৬ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত অভাৰৰ ৩৯টা বল বাকী থকা অৱস্থাতে আটাইকেইটা উইকেট হেৰুৱাই ২০৮ ৰাণহে কৰিবলৈ সমৰ্থ হয়। দলটোৰ হৈ ৰহমত শ্বাহে ৯২টা বলত ৯০ ৰাণ সংগ্ৰহ কৰে। ইয়াৰ পূৰ্বে দক্ষিণ আফ্ৰিকাই প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ৫০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ৩১৫ ৰাণ সংগ্ৰহ কৰে। দলটোৰ হৈ অপেনাৰ ৰিয়ান ৰিকেল্টনে শতক অৰ্জন কৰাৰ লগতে আন তিনিগৰাকী খেলুৱৈৰে অৰ্ধ শত ৰাণ কৰে। কাগিছ' ৰাবাডাই ৩টাকৈ উইকেট দখল কৰে। ৰিয়ান ৰিকেল্টনক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পাতলীয়া বৰষুণ হোৱাৰ লগতে বতৰ ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৮ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

বতৰ বিজ্ঞান কেন্দ্ৰই অহা ২৪ ঘণ্টাত অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ডৰ ঠাই বিশেষ ধুমুহা গাজনিৰে বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। আনহাতে মেঘালয়, মিজোৰাম আৰু মণিপুৰত ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে।

ooooo

সমাপ্ত